জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬/২০২০

# চিংফৌ জনগোষ্ঠীৰ ৩৬ সংখ্যক স্বপং য়ং মানও পয় মহোৎসৱত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## দক্ষিণ-পূব এছিয়াৰ সৈতে সু-সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত চিংফৌ জনগোষ্ঠীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ** "দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে, তাত চিংফৌ জনগোষ্ঠীৰ লোকসকলে গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰে। অকল অসম তথা উত্তৰ-পূৰ্বাঞ্চলেই নহয়, দক্ষিণ-পূব এছিয়া, ম্যানমাৰ, থাইলেণ্ডৰ দৰে ৰাষ্ট্ৰসমূহতো এই জনগোষ্ঠীৰ লোকসকলে বসবাস কৰি আছে। চিংফৌ জনগোষ্ঠীৰ লোকসকল সহজ-সৰল তথা আধ্যাত্মিক আৰু সাংস্কৃতিকভাৱে অতি শক্তিশালী।" আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ ইন্থেমত চিংফৌ জনগোষ্ঠীৰ ৩৬সংখ্যক স্বপং য়ং মানও পয় মহোৎসৱৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চাওলুং চ্যু-কা-ফাই গঢ় দিয়া অসমীয়া সমাজখন অতি সমৃদ্ধিশালী। আমাৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ সমাজখনত চিংফৌ জনগোষ্ঠীয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। এই জনগোষ্ঠীৰ নৃত্য-গীতসমূহ শাৰীৰিক-মানসিক উত্তৰণৰ বাবে প্ৰেৰণাদায়ক আৰু ইয়াৰ জৰিয়তে বিশাল সাংস্কৃতিক মনৰ পৰিচয় পোৱা যায়। সেইবাবে চিংফৌ জনগোষ্ঠীৰ লোকসকলে অসমক বিভিন্ন ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে।

চিংফৌ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে ২৫ লাখ টকা অনুদান দিয়াৰ কথা ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে একবিংশ শতিকাত অসমীয়া সমাজখনক অধিক আগুৱাই নিয়াৰ ক্ষেত্ৰত চিংফৌ জনগোষ্ঠীৰ লোকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'এক্ট ইষ্ট পলিচী'ৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ দক্ষিণ-পূব এছিয়াৰ সৈতে সম্পৰ্ক সুদৃঢ়কৰণেৰে বিকাশৰ নতুন গতি প্ৰদান কৰিব বিচাৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অধ্যয়নৰ জৰিয়তে নতুন প্ৰজন্মই নিজৰ দক্ষতা আৰু যোগ্যতা বৃদ্ধি কৰিব লাগিব, যাতে বিশ্বজনীন গ্ৰহণযোগ্যতা বৃদ্ধি পায়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰে পৰা এখন সমৃদ্ধিশালী ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে নিৰলস প্ৰয়াস চলাই আহিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি সম্পৰ্কত আলোকপাত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে সীমামূৰীয়া সমষ্টি হিচাপে মাৰ্ঘেৰিটা অতিশয় গুৰুত্বপূৰ্ণ। মাৰ্ঘেৰিটা অঞ্চলটো বিভিন্ন জাতি-জনগোষ্ঠীৰ মহামিলনৰ স্থলী বুলিও মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ (স্বতন্ত্ৰ) আৰু শ্ৰমিক কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে ভাস্কৰ শৰ্মা, সুৰেন ফুকন, বলিন চেতিয়া, অৰুণাচলৰ বিধায়ক চামলুং মচং, চিংফৌ জনগোষ্ঠীৰ মূৰব্বী দিচানং চিংফৌ, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে।

**পুঃডেঃ / প্ৰঃবঃ**

**১৪/০২/২০২০**